**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2026 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাজিৰঙা এলিভেটেড কৰিড'ৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক দেশৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্ন বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্য।

৩। কামাখ্যা ৰৌহটক অমৃত ভাৰত বিশেষ ৰে'লখন বৰপেটা ৰোড ষ্টেচনত আদৰণি।

আৰু

৪। ভাৰতৰ বিৰুদ্ধে অনুষ্ঠিত তৃতীয়খন এদিনীয়াত ডেৰিল মিচেল আৰু গ্লেন ফিলিপ্ছৰ শতকেৰে নিউজিলেণ্ডৰ সুদৃঢ় স্থিতি।

০০০০

উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত নতুন দুৱাৰমুখ হিচাপে উদ্ভাসিত হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। উত্তৰ-পূবক দেশৰ বাকী অংশৰ সৈতে উন্নয়নৰ পথত সমানে আগবঢ়াই নিয়াৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা লক্ষ্যৰ বিষয়েও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাজিৰঙা এলিভেটেড কৰিড'ৰ প্ৰকল্প আৰু ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণৰ বাবে অনুষ্ঠিত ভূমিপূজনত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি অংশগ্ৰহণ কৰে। এই উপলক্ষে কলিয়াবৰৰ মৌচন্দা পথাৰত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ কয়, যে অসম উন্নতিৰ পথত আগবাঢ়িলে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই উন্নতিৰ পথত আগবাঢ়িব আৰু উত্তৰ-পূৰ্বাঞ্চল আগবাঢ়িলে সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ উন্নয়ন সাধন সম্ভৱ হ'ব। ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ আৰু কলিয়াবৰৰ পৰা নুমলীগড়লৈ হ'বলগীয়া চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বিজেপি চৰকাৰে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ ফলত অঞ্চলটোৰ বাবে নতুন নতুন সুযোগ আৰু দীৰ্ঘকালীন উন্নয়নৰ পথ প্ৰশস্ত হ'ব বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে অৰ্থনীতি আৰু পৰিবেশতন্ত্ৰ দুয়োবিধ একে সময়তে একেলগে আগবাঢ়ি যাব পাৰে আৰু এই দুয়োবিধৰ মাজত সংঘাত হ'ব পাৰে বুলি তেওঁ বিশ্বাস নকৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে নিস্ক্ৰিয় ভূমিকা গ্ৰহণ কৰা বুলি দলটোক সমালোচনা কৰি ভাৰতীয় জনতা পাৰ্টী সম্প্ৰতি দেশবাসীৰ একমাত্ৰ ভাৰসা হৈ উঠা বুলিও উল্লেখ কৰে। কাজিৰঙাক দেশৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্ন বুলিও তেওঁ অভিহিত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে কাজিৰঙা কেৱল মাত্ৰ ৰাষ্ট্ৰীয় উদ্যান নহয়, কাজিৰঙা অসমৰ আত্মা। কাজিৰঙাৰ বন্যপ্ৰাণীক ৰক্ষা কৰি অসমৰ ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰাটো চৰকাৰৰ দায়িত্ব বুলিও তেওঁ মন্তব্য কৰে।

বাইট (পি এম)

মুখ্যমন্ত্ৰী ড° হিমন্ত  বিশ্ব শৰ্মাই আজিৰ সভাত বৃহৎ সংখ্যক লোক সমবেত হোৱা বুলি উল্লেখ কৰি ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ শলাগ লয়। ৰাজ্যখনৰ উন্নয়নৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো আজি ভাৰ্চুৱেল ব্যৱস্থাৰে শুভাৰম্ভণি কৰে। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমক ৰে'ল বাজেটত ১০ হাজাৰ কোটি টকা দিয়া বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি যাত্ৰাৰ শুভাৰম্ভ কৰা কামাখ্য ৰৌহটক অমৃত ভাৰত বিশেষ ৰে'লখন বৰপেটা ৰোড ষ্টেচনত আদৰণি জনোৱা হয়। এই উপলক্ষে বৰপেটা ৰোড ৰে'ল ষ্টেচন কৰ্তৃপক্ষই এটা বিশেষ অনুষ্ঠানত আয়োজন কৰে। দুপৰীয়া ষ্টেচনটো ৰে'লগাড়ীখন আহি ৰোৱাৰ লগে লগে ৰে'লখন পৰিচালনাৰ সৈতে জড়িত সকলোকে আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, বৰপেটা ৰোডটো ষ্টপেজ থকা ৰে'লখনৰো বাবে কেইবাখনো জিলাৰ ৰাইজ যোগাযোগৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হ'ব বুলি আশা কৰা হৈছে। একেদৰে বাণিজ্যিক চহৰখনৰ পৰা বয়বস্তু পৰিবহণৰ ক্ষেত্ৰতো ৰে'লখনে সহায় কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰো উপস্থিত থাকে।

এই ৰে'ল দুখনৰ যাত্ৰাৰ শুভাৰম্ভৰ সৈতে সংগতি ৰাখি চৰাইদেউ জিলাৰ মৰাণ ৰে'ল ষ্টেচন আৰু শিৱসাগৰ জিলাৰ শিমলুগুৰি ৰে'ল জংচনত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। স্থানীয় ৰাইজ আৰু ৰে'ল বিভাগৰ বিষয়াবৰ্গৰ উপস্থিতিত ডিব্ৰুগড়ৰ পৰা যাত্ৰা আৰম্ভ কৰা ৰে'লখনক প্ৰথমে মৰাণ ৰে'ল ষ্টেচন আৰু পাছত শিমলুগুৰি ৰে'ল জংচনত আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীত যাত্ৰীৰ সুৰক্ষাৰ বাবে কেতবোৰ অত্যাধুনিক  প্ৰযুক্তি সংযোজন কৰা হৈছে। ৰে'লগাড়ী দুখনৰ শীত-তাপ নিয়ন্ত্ৰিত নোহোৱা ডবাসমূহতো অৰ্ধস্বয়ংক্ৰিয় কাপলাৰ, অগ্নি নিৰ্বাপণ প্ৰণালী আৰু টকবেক ইউনিটকে ধৰি অত্যাধুনিক সুৰক্ষা ব্যৱস্থা ৰখা হৈছে।

oooo

অসম বিধানসভাৰ বাজেট অধিৱেশন অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত  হ'ব। বিধানসভাৰ কাৰ্যক্ৰমণিকা উপদেষ্টা কমিটীয়ে এই অধিৱেশন কিমান দিনৰ বাবে অনুষ্ঠিত হ'ব সেয়া নিৰ্ধাৰণ কৰিব। বিধানসভা নিৰ্বাচন মাৰ্চ শেষভাগত বা এপ্ৰিলৰ প্ৰথম ভাগত অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদানহে দাখিল কৰিব।

ooooooo

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মীয়মান কুমাৰ ভাস্কৰ বৰ্মা সেতু অহা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ

লগতে গুৱাহাটী ক্লাবৰ পৰা চানমাৰি, বামুণীমৈদাম, নুনমাটি সংযোগী উৰণসেঁতুখনো অহা মাহৰ ভিতৰতে মুকলি কৰা হ'ব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সৌজন্যত  ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে আয়োজিত বিশেষ অনুষ্ঠানৰ অন্তিম অংশ আজি সন্ধিয়া ৭ বাজি ৩৫ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীযোগে প্ৰচাৰ কৰা হ'ব। 'আলোকৰ বাটে বাটে' শীৰ্ষক এই অনুষ্ঠানত বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰে। অনুষ্ঠানটোৰ প্ৰথম অংশ কালি প্ৰচাৰ হৈ যায়।  এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ঘাইপথসমূহত যাতায়াত অধিক দ্ৰুত আৰু স্বচ্ছ কৰাৰ বাবে নতুন পদক্ষেপ লৈছে। এই অনুসৰি পহিলা এপ্ৰিলৰ পৰা দেশৰ সকলো টোল প্লাজাত নগদ ধনৰ লেনদেন নিষিদ্ধ কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে টোলটেক্স আদায় দিয়াৰ বাবে ফাষ্টটেগ অথবা ইউ পি আই ব্যৱহাৰ কৰাতো বাধ্যতামূলক কৰা হৈছে। এই নতুন নিয়নৰ ফলত টোল প্লাজাসমূহত দীঘলীয়া যান-জঁট হ্ৰাস পোৱাৰ লগতে ইন্ধন ৰাহি হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

ভাৰতৰ বিৰুদ্ধে ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত একদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডে বাতৰি যুগুতোৱাৰ পৰলৈ ৪৪ অ'ভাৰত চাৰিটা উইকেট হেৰুৱাই ২৮২ ৰান সংগ্ৰহ কৰিছে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচেল আৰু গ্লেন ফিলিপ্‌ছে শতক অৰ্জন কৰে। ডেৰিল মিচেলে ১৩৬ ৰান  কৰি খেলি থকাৰ বিপৰীতে ফিলিপ্‌ছে ১০৬ ৰান কৰি আউট হয়।  খেলখনত টছত জিকি ভাৰতে নিউজিলেণ্ডক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০০০

সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ উদ্যোগত বাক্সা জিলাৰ কমলাবাৰী ষ্টেডিয়ামত অনুষ্ঠিত জুনিয়ৰ আৰু ছাব জুনিয়ৰ ক্ৰীড়া প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। সীমান্ত এলেকাৰ ২০ কিলোমিটাৰ ভিতৰৰ গাঁৱৰ পৰা অহা জিলাখনৰ খেলুৱৈসকলে এই ক্ৰীড়া মহোৎসৱত অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত প্ৰথমৰ দুটা স্থান লাভ কৰা খেলুৱৈসকলে অহা মাৰ্চ মাহত গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ক্ৰীড়া মহোৎসৱত খেলাৰ সুযোগ লাভ কৰিব।

০০০০০০০

**সমাপ্ত**